পাঠ - ১৬

# কম্পিউটাৰ আৰু যোগাযোগ

আমি সকলোৱে এজনে আনজনৰ লগত কথা পাতি মনৰ ভাৱ প্ৰকাশ কৰিবলৈ পালে ভাল পাওঁ। এয়েই হৈছে **যোগাযোগ**। আমাৰ ওচৰত থকা ব্যক্তিৰ লগত কথা পাতি আমি সহজে যোগাযোগ কৰিব পাৰোঁ। কিন্তু দূৰৈত থকা ব্যক্তি এজনৰ লগত আমি কেনেকৈ যোগাযোগ কৰিম ? দূৰ-দূৰণিত থকা ব্যক্তিসকলৰ লগত যোগাযোগ কৰিবৰ বাবে কিছুমান ব্যৱস্থা আছে।

আমি এজনে আনজনৰ লগত চিঠি, টেলিফোন, ম'বাইল, টেলিগ্ৰাম আদিৰ জৰিয়তে যোগাযোগ কৰিব পাৰোঁ। ইয়াৰ উপৰি বাতৰি কাগজ, ৰেডিঅ' আৰু টেলিভিছনৰ সহায়ত দেশ বিদেশৰ বাতৰি কম সময়ৰ ভিতৰতে পাব পাৰোঁ। এইবোৰেই হৈছে **যোগাযোগৰ মাধ্যম**।

**যোগাযোগ এনে এটা ব্যৱস্থা যাৰ সহায়ত আমি দূৰত থাকিও এজনে আনজনৰ লগত সহজে সম্পৰ্ক ৰাখিব পাৰোঁ।**

আমি কেনেকৈ আৰু কিহৰ সহায়ত যোগাযোগ কৰোঁ চাওঁ আহা-

| আমি কেনেকৈ যোগাযোগ কৰোঁ | কি মাধ্যমৰ সহায়ত কৰো |
|---|---|
| এজনে আনজনৰ লগত কথা পাতি | টেলিফোন, ম'বাইল ফোন |
| প্ৰচাৰ ব্যৱস্থাৰ জৰিয়তে | বাতৰিকাকত, ৰেডিঅ', টেলিভিছন |
| ডাক ব্যৱস্থাৰ জৰিয়তে | চিঠি, টেলিগ্ৰাম |



**ডাক ব্যৱস্থা** হ'ল আমাৰ অতি গুৰুত্বপূৰ্ণ যোগাযোগৰ মাধ্যম। ডাকযোগে আমি দেশৰ যিকোনো ঠাইলৈ চিঠি, টেলিগ্ৰাম, টকা-পইচা দৰকাৰী বস্তু আদি পঠিয়াব পাৰোঁ। আমাৰ দেশৰ সকলো লোকে এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হৈছে।





**টেলিফোন** আৰু **ম'বাইল ফোন** হ'ল যোগাযোগৰ অতি খৰতকীয়া আৰু আধুনিক মাধ্যম। আমি যিকোনো সময়তে যিকোনো ঠাইৰ পৰা পৃথিৱীৰ যিকোনো ঠাইলৈ টেলিফোন আৰু ম'বাইল ফোনেৰে কথা পাতি যোগাযোগ কৰিব পাৰোঁ। ম'বাইল ফোনেৰে আমি লিখিতভাৱেও ভাৱ বিনিময় কৰিব পাৰোঁ।


টেলিফোনত ফেক্স সংযোগ কৰি আমি তৎক্ষণাত আন ঠাইলৈ দৰকাৰী নথি-পত্ৰৰ প্ৰতিলিপি পঠিয়াব পাৰোঁ।







ফেক্স



**ৰেডিঅ'** আৰু **টেলিভিছন** হ'ল এনে দুবিধ প্ৰয়োজনীয় যোগাযোগৰ মাধ্যম যাৰ দ্বাৰা দেশ-বিদেশৰ খবৰ-বাতৰি, শিক্ষা, সংস্কৃতি, শিল্প-বাণিজ্য, খেলা-ধূলা আদিৰ বিষয়ে ঘৰতে বহি জ্ঞান লাভ কৰিব পাৰোঁ। ৰেডিঅ' আৰু টেলিভিছন বিদ্যুত বা বেটেৰীৰ দ্বাৰা চালিত আহিলা।



**বাতৰি কাকত** পঢ়ি আমি নিজ ঠাইৰ উপৰি দেশ বিদেশৰ বিভিন্ন খবৰ নিয়মীয়াকৈ পাব পাৰোঁ।


➢ এতিয়া তোমালোকে কি কি যোগাযোগৰ মাধ্যমৰ বিষয়ে জানিলা নামকেইটা লিখা-

..........................................................................................................

..........................................................................................................

..........................................................................................................

কাষত দিয়া ছবিটো চিনি পাইছানে? দেখাত টেলিভিছনৰ লগত মিল থকা এই যন্ত্ৰটো হৈছে **কম্পিউটাৰ**। কম্পিউটাৰ হৈছে আধুনিক যুগৰ আটাইতকৈ উন্নত যোগাযোগৰ এটা মাধ্যম। কম্পিউটাৰৰ দ্বাৰা বহুতো কাম কম সময়তে কৰিব পাৰি। ইয়াত বহুতো তথ্য সংৰক্ষণ কৰি ৰাখিব পাৰি।



কম্পিউটাৰ

কম্পিউটাৰৰ গুৰুত্বপূৰ্ণ অংশবোৰ হ'ল- চি পি ইউ, কি-বোৰ্ড, মাউচ আৰু মনিটৰ।

**এই অংশকেইটাক কেনেদৰে ব্যৱহাৰ কৰে জানি লওঁ আহা-**



মনিটৰ

আমি কৰি থকা কামখিনি আৰু কামৰ ফলাফল মনিটৰত দেখা পাওঁ।



চি পি ইউ

নিৰ্দেশ দিয়া কামবোৰ কৰে আৰু সংৰক্ষণ কৰি ৰাখে।



কি-বোৰ্ড

কি-বোৰ্ডৰ দ্বাৰা লিখিত আকাৰেৰে আমি নিৰ্দেশ দিওঁ।



মাউচ

মনিটৰত থকা কথাবোৰ মাউচেৰে নিয়ন্ত্ৰণ কৰি কাম কৰিব পাৰি।

**কম্পিউটাৰৰ সহায়ত আমি কি কি কৰিব পাৰোঁ-**





- লিখিব পাৰোঁ
- ছবি আঁকিব পাৰোঁ
- অংক কৰিব পাৰোঁ
- খেল খেলিব পাৰোঁ
- গান শুনিব পাৰোঁ
- চিনেমা চাব পাৰোঁ
- তথ্য সংৰক্ষণ কৰি ৰাখিব পাৰোঁ।

**কম্পিউটাৰৰ লগত প্ৰিন্টাৰ সংযোগ থাকিলে আমি কৰা কামখিনি কাগজত লিখিত আকাৰেৰে পাব পাৰোঁ।**



কম্পিউটাৰ এটাৰ মুখ্য কাম হ'ল যোগাযোগ স্থাপন কৰা।

**কম্পিউটাৰৰ সহায়ত আমি কেনেকৈ যোগাযোগ স্থাপন কৰিব পাৰোঁ জানি লওঁ আহা-**



ওপৰৰ ছবিখনলৈ মন কৰা । ছবিখনত কেইবাটাও কম্পিউটাৰ ইটোৰ লগত সিটো সংযোগ হৈ এখন জাল তৈয়াৰ কৰা নাইনে? এনেদৰে যেতিয়া বহুকেইটা কম্পিউটাৰ একেলগে সংযোগ স্থাপন কৰা হয় তেতিয়া এখন মকৰাৰ জালৰ দৰে জালিকাৰ সৃষ্টি হয়। এই জালকে ইংৰাজীত নেটৱৰ্ক বুলি কোৱা হয়।

গোটেই পৃথিৱীব্যাপি অসংখ্য কম্পিউটাৰ সংযোগ কৰি এক বিশাল যোগাযোগ ব্যৱস্থা গঠন কৰা হৈছে। এই যোগাযোগ ব্যৱস্থাই হৈছে ইণ্টাৰনেট। ইণ্টাৰনেট হৈছে আধুনিক যুগৰ আটাইতকৈ উন্নত যোগাযোগ ব্যৱস্থা। কৃত্রিম উপগ্রহৰ সহায়ত এই যোগাযোগ ব্যৱস্থা সম্ভৱ হৈছে।

**ইণ্টাৰনেট সংযোগ থকা কম্পিউটাৰৰ পৰা আমাৰ কি সুবিধা হৈছে, তাৰে কিছুমানৰ বিষয়ে জানি লওঁ আহা-**

- আমি দেশ বিদেশৰ খবৰ পাব পাৰোঁ।
- দূৰ-দূৰণিত থকা লোকসকলৰ লগত ঘৰত বহিয়েই যোগাযোগ কৰিব পাৰোঁ।
- বিভিন্ন তথ্য পাব পাৰোঁ।
- ৰে'ল আৰু বিমানৰ সময়সূচী জানিব পাৰোঁ আৰু আগতীয়াকৈ টিকট বুকিং কৰিব পাৰোঁ।

ইয়াৰ বাহিৰেও ইণ্টাৰনেটৰ সহায়ত আমি বিভিন্ন কাম কৰিব পাৰোঁ। এইবিষয়ে তোমালোকে আগলৈ ভালদৰে জানিব পাৰিবা।




**চিন্তা কৰি লিখা-**

যোগাযোগৰ মাধ্যমবোৰ নাথাকিলে আমাৰ কি হ'লহেঁতেন?

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) যোগাযোগ ব্যৱস্থা কি ? দুটা যোগাযোগ মাধ্যমৰ নাম।

(খ) কম্পিউটাৰৰ অংশকেইটাৰ নাম লিখা।

(গ) কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ সহায়ত কৰিব পৰা দুটাকৈ কাম উল্লেখ কৰা।

(ঘ) প্ৰিণ্টাৰৰ কাম কি ?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা-

| 'ক' | 'খ' |
|---|---|
| কি -বোৰ্ড | নিৰ্দেশ দিয়া কামবোৰ কৰে আৰু সংৰক্ষণ কৰি ৰাখে। |
| মাউচ | কৰা কামখিনি আৰু কামৰ ফলাফল দেখা পাওঁ। |
| চি পি ইউ | মণিটৰত থকা কথাবোৰ নিয়ন্ত্ৰণ কৰি কাম কৰিব পাৰি। |
| মনিটৰ | লিখিত আকাৰে নিৰ্দেশ পঠিয়াব পাৰি। |

৩। খালী ঠাই পূৰ কৰা-

(ক) টেলিফোন আৰু ম'বাইল ৰ দ্বাৰা পৃথিৱীৰ যিকোনো লোকৰ লগত কথা পাতিব পাৰোঁ।

(খ) কৃত্ৰিম উপগ্ৰহৰ বাবে যোগাযোগ ব্যৱস্থা সম্ভৱ হৈছে।

(গ) আমি তথ্য সংৰক্ষণ কম্পিউটা ৰ সহায়ত কৰিব পাৰোঁ।

(ঘ) টেলিফোনত ফেক্স সংযোগ কৰি আমি দৰকাৰী নথি-পত্ৰৰ প্ৰতিলিপি তৎক্ষণাত আন ঠাইলৈ পঠিয়াব পাৰোঁ।

৪। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) ডাকযোগে ইজনে সিজনৰ লগত কথা পাতিব পাৰি।

(খ) প্ৰিণ্টাৰৰ সহায়ত কম্পিউটাৰত কৰা কামবোৰ লিখিত আকাৰে পাব পাৰি।

(গ) টেলিভিছন হৈছে আধুনিক যুগৰ আটাইতকৈ উন্নত যোগাযোগ ব্যৱস্থা।

(ঘ) ফেক্স টেলিফোনৰ লগত সংযোগ কৰা হয়।

(ঙ) ম'বাইল ফোনেৰে লিখিতভাৱে ভাব বিনিময় কৰিব পাৰি।